# **REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 21-06-2024
**Time :** 18-45 Hrs

## ***Assamese Evening Bulletin***
**- - - - - - - - - - - - - - -**

১। দশম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপন। জম্মু-কাশ্মীৰৰ যোগ দিৱসৰ অনুষ্ঠানত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শাৰিৰীক, মানসিক আৰু আধ্যাত্মিক বিকাশত যোগৰ গুৰুত্ব সন্দৰ্ভত আলোকপাত।

২। তেজপুৰৰ যোগ দিৱসৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অংশগ্ৰহণ। ভাৰতীয় সভ্যতা আৰু শক্তি, সামৰ্থ্যৰ প্ৰতীক ৰূপে যোগে বিশ্বজুৰি সমাদৰ লাভ কৰিছে বুলি মুখ্যমন্ত্ৰীৰ মন্তব্য।

৩। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপন। যোগাভ্যাসে মানৱ জাতিক সুস্বাস্থ্যৰ উপহাৰ প্ৰদান কৰিব বুলি তিনিচুকীয়াত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ মন্তব্য।

৪। শ্বহীদ কনকলতা বৰুৱাৰ নামত গহপুৰত প্ৰস্তাৱিত বিশ্ববিদ্যালয় স্থাপনৰ বাবে ৰাজ্য চৰকাৰৰ তৎপৰতা। গহপুৰৰ ভোলাগুৰি চাহ বাগিচাত বিশ্ববিদ্যালয়ৰ বাবে মুখ্যমন্ত্ৰীৰ ভূমি পৰিদৰ্শন। আৰু

৫। আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি ছেইণ্ট লুচিয়াত হ'বলগীয়া ছুপাৰ এইট পৰ্যায়ৰ এখন খেলত ইংলেণ্ড দক্ষিণ আফ্ৰিকাৰ মুখামুখি।

০০০০০০০০

সমগ্ৰ দেশৰ লগতে বিশ্বৰ বিভিন্ন প্ৰান্তত আজি দশম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জম্মু-কাশ্মীৰৰ শ্ৰীনগৰৰ শ্বেৰ-এ-কাশ্মীৰ আন্তঃৰাষ্ট্ৰীয় অভিৰ্ৱতন কেন্দ্ৰত আয়োজিত যোগ দিৱসৰ মূল অনুষ্ঠানত অংশগ্ৰহণ কৰে। অনুষ্ঠানত জম্মু-কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিনহা, কেন্দ্ৰীয় মন্ত্ৰী প্ৰতাপৰাও গণপতৰাও যাধৱৰ লগতে আন কেইবাগৰাকীও বিশিষ্ট ব্যক্তিও উপস্থিত থাকে। যোগ দিৱসৰ কাৰ্যসূচীত উপস্থিত সকলোকে সম্বোধন  কৰি শ্ৰীমোদীয়ে শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক বিকাশত যোগৰ গুৰুত্ব সন্দৰ্ভত আলোকপাত কৰে। বিশ্বৰ বিভিন্ন প্ৰান্তত যোগাভ্যাস কৰা ব্যক্তিৰ সংখ্যা ক্ৰমান্বয়ে বৃদ্ধি পাই অহাৰ কথাও প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁৰ সৈতে হোৱা কথোপকথনত প্ৰায় সংখ্যক বিশ্বনেতাই যোগৰ প্ৰসংগ উত্থাপন কৰা বুলিও শ্ৰীমোদীয়ে লগতে কয়। যোৱা ১০বছৰত যোগে লাভ কৰা প্ৰসাৰতা আৰু প্ৰসিদ্ধিৰ বিষয়ে উল্লেখ কৰি শ্ৰীমোদীয়ে এটা নতুন ধৰণৰ যোগ অৰ্থনীতিৰ সম্ভাৱনাৰ বিষয়ে আশা প্ৰকাশ কৰে। আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ এইবাৰৰ বিষয়বস্তুৰ সন্দৰ্ভত শ্ৰীমোদীয়ে কয় যে-ব্যক্তিগত কল্যাণ আৰু সামাজিক সমন্বয় উভয়ৰে প্ৰসাৰৰ ক্ষেত্ৰত যোগৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ ওপৰত আলোকপাত কৰি এই বছৰ নিজৰ লগতে

সমাজৰ বাবে যোগ বিষয়বস্তুৰে এই দিৱস উদযাপন কৰা হৈছে। যোগাভ্যাসৰ জৰিয়তে গোলকীয় স্বাস্থ্য আৰু সুস্থ জীৱনশৈলীৰ প্ৰসাৰৰ উদ্দেশ্যে বাৰ্তা বহন কৰা হাজাৰ হাজাৰ অংশগ্ৰহণকাৰীক ঐক্যবদ্ধ কৰাই এই অনুষ্ঠানৰ মূল উদ্দেশ্য বুলিও তেওঁ লগতে কয়।

প্ৰধানমন্ত্ৰীগৰাকীয়ে তৃণমূল পৰ্যায়ৰ জনসাধাৰণৰ অংশগ্ৰহণ আৰু গ্ৰামাঞ্চলৰ যোগৰ প্ৰসাৰৰ হকে কাম কৰিবলৈ গাঁওসভাৰ  মুৰববীসকললৈ এখন পত্ৰ প্ৰেৰণ কৰিছে।

ৰাজ্যত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচী হাতত লোৱা হয়। ৰাষ্ট্ৰীয় আয়ুষ মিছনৰ উদ্যোগত গুৱাহাটীৰ দেশভক্ত তৰুণৰাম ফুকন ইন্দোৰ ষ্টেডিয়ামত আয়োজিত যোগ দিৱসৰ কাৰ্যসূচীত ৰাজ্যপাল গুলাবচান্দ কাটাৰীয়া, মন্ত্ৰী অজন্তা নেওগ আৰু গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াই অংশ গ্ৰহণ কৰে।

তেজপুৰৰ চাৰ্চ ফিল্ডত আয়োজিত যোগ দিৱসৰ অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে মন্ত্ৰী অশোক সিংহাল, কেশৱ মহন্ত, বিধায়ক পৃথ্বীৰাজ ৰাভা, গণেশ কুমাৰ লিম্বু আদিয়ে অংশ গ্ৰহণ কৰে। অনুষ্ঠানত ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে ভাৰতীয় সভ্যতা, শক্তি আৰু সামৰ্থ্যৰ প্ৰতীক ৰূপে যোগাভ্যাসে বিশ্বজুৰি সমাদৰ লাভ কৰিছে।

তিনিচুকীয়াৰ মানৱ কল্যাণ পূজা ভৱনত আয়োজিত কাৰ্যসূচীত কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড় লোকসভা সমষ্টিৰ সাংসদ সৰ্বানন্দ সোণোৱালে অংশগ্ৰহণ কৰে। শ্ৰীসোণোৱালে কয় যে যোগাভ্যাসে মানৱজাতিক সুস্বাস্থ্যৰ উপহাৰ প্ৰদান কৰে। বিগত ১০ বছৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অহোপুৰুষাৰ্থত যোগ গোলকীয় জন জাগৰণত পৰিণত হোৱা বুলিও মন্ত্ৰীগৰাকীয়ে লগতে মন্তব্য কৰে।  প্ৰাক্তন কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী ৰামেশ্বৰ তেলী, তিনিচুকীয়াৰ বিধায়ক মন্ত্ৰী সঞ্জয় কিষানো এই অনুষ্ঠানত উপস্থিত থাকে। **নিজৰ আৰু সমাজৰ বাবে যোগ** এই মূল বিষয়বস্তুৰে আজি মৰিগাঁৱঁতো বিভিন্ন কাৰ্যসূচীৰে যোগ দিৱস উদ্‌যাপন কৰা হয়। এই উপলক্ষে মৰিগাওঁ নগৰৰ আৰক্ষী ছাউনীৰ ড্ৰিল শ্বেদত ৰাষ্ট্ৰীয় আয়ুষ অভিযান অসমৰ উদ্যোগত আৰু জিলা প্ৰশাসনৰ সহযোগত সমূহীয়া যোগাভ্যাস কাৰ্যসূচী ৰূপায়ন কৰা হয়। অনুষ্ঠানত জিলা পৰ্যায়ৰ যোগ প্ৰতিযোগিতাৰ বিজয়ীসকলকো পুৰস্কৃত কৰা হয়।

ৰাজ্যৰ অনান্য প্ৰান্তৰ লগতে শিৱসাগৰৰ ঐতিহাসিক ৰংঘৰৰ চৌহদতো জিলা প্ৰশাসনৰ উদ্যোগত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন কৰা হয়। মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰৰ প্ৰেক্ষাগৃহত যোগ দিৱস উদযাপিত হয়। গোলঘাট জিলাৰ ইন্দোৰ ক্ৰিকেট ষ্টেডিয়ামত আয়োজিত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ কাৰ্যসূচীত কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাচাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। ডিব্ৰুগড়ৰ মিলন নগৰস্থিত বহুমুখী ইন্দোৰ ষ্টেডিয়ামত জিলা প্ৰশাসনৰ উদ্যোগত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে আয়োজিত সমূহীয়া যোগাভ্যাস কাৰ্যসূচীত মন্ত্ৰী বিমল বৰা, অসম পৰ্যটন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ লগতে বহু কেইগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

গোৱালপাৰা জিলা প্ৰশাসনে জিলা আয়ুক্ত কাৰ্যালয়ৰ চৌহদত এই দিৱস পালন কৰে। এই কাৰ্যসুচীত গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ বিজুলি কলিতা মেধি আৰু জিলা উপায়ুক্ত খনিন্দ্ৰ চৌধুৰীৰ লগতে অনান্য বিশিষ্ট ব্যক্তিসকলে অংশগ্ৰহণ কৰে। আনহাতে,বৰপেটাৰ জিলা গ্ৰামীণ উন্নয়ন অভিকৰণৰ প্ৰেক্ষাগৃহত জিলা

প্ৰশাসনৰ উদ্যোগত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন কৰা হয়। নলবাৰী মহাবিদ্যালয়ত যোগ দিৱস উপলক্ষে জিলা প্ৰশাসনৰ দ্বাৰা আয়োজিত অনুষ্ঠানত মন্ত্ৰী জয়ন্তমল্ল বৰুৱা উপস্থিত থাকে।

বঙাইগাওঁ জিলা প্ৰশাসন আৰু ৰাষ্ট্ৰীয় আয়ুষ অভিযান বঙাইগাওঁ উদ্যোগত চিলাৰায় ইন্দোৰ ষ্টেডিয়ামত দশম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন কৰা হয়। অনুষ্ঠানত জিলা ভিত্তিক যোগ প্ৰতিযোগিতাৰ বিজয়ীসকলক পুৰস্কাৰ প্ৰদান কৰা হয়।

উত্তৰ লক্ষীমপুৰ বিশ্ববিদ্যালয়ৰ খেলঘৰত অনুষ্ঠিত কাৰ্যসূচীত মন্ত্ৰী পীযুষ হাজৰিকাই ভাগ লয়। কাৰ্বি আংলঙত ডিফু কাছা ইগু'ৰ ষ্টেডিয়ামত কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে অংশগ্ৰহণ কৰে। যোৰহাটত আৰক্ষী চাৱনিত, ধুবুৰীত গুৰুদ্বাৰ প্ৰাংগনত, চৰাইদেউত জিলা ৰাজহুৱা খেলপথাৰ ষ্টেডিয়ামত যোগ দিৱসৰ কাৰ্যসূচী আয়োজন কৰে। ইপিনে তামোলপুৰত আয়োজিত অনুষ্ঠানত বিধায়ক জলেন দৈমাৰীয়ে ভাগ লোৱাৰ লগতে বাক্সাৰ পূব খাগ্ৰাবাৰী ৰাস মন্দিৰ প্ৰাংগনৰ লগতে বিভিন্ন বিদ্যালয়তো যোগ দিৱস উদ্‌যাপন কৰা হয়। কৰিমগঞ্জতো ৰাষ্ট্ৰীয় আয়ুষ অভিযানৰ উদ্যোগত আৰু জিলা প্ৰশাসন তথা জিলা স্বাস্থ্য সমিতিৰ সহযোগত ভাৰতীয় আভ্যন্তৰীণ জলপথ প্ৰাধিকৰণৰ গুদামত যোগ দিৱসৰ কাৰ্যসূচী পালন কৰা হয়। নগাওঁ জিলা প্ৰশাসনৰ সহযোগত ৰাষ্ট্ৰীয় আয়ুষ অভিযানে নগাওঁ পুলিচ ৰিজাৰ্ভ সমূহীয়া ভৱনত দশম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ আয়োজন কৰে।

ইফালে দেশৰ লগতে বিদেশৰো বিভিন্ন ঠাইত আজি দশম যোগ দিৱসৰ কাৰ্যসূচী পালন কৰা হয়। সমগ্ৰ নেপালতে আজি পুৱাৰ ভাগতে যোগাসনৰ অভ্যাস কৰা হয়। কাঠমাণ্ডুত থকা ভাৰতীয় দুতাবাসে পতঞ্জলি যোগপীঠ আৰু পোখাড়া মহানগৰৰ সহযোগত যোগাসন কাৰ্যসূচীৰ আযোজন কৰে।

oooooooo

অসম মাধ্যমিক শিক্ষা পৰিষদে আজি কম্পাৰ্টমেণ্টেল পৰীক্ষাৰ ফলাফল ঘোষণা কৰে। ঘোষণা কৰা ফলাফল অনুসৰি অৱতীৰ্ণ হোৱা মুঠ ৫০ হাজাৰ ৬১৮ গৰাকী পৰিক্ষাৰ্থীৰ ভিতৰত ২১ হাজাৰ ৫৪২ গৰাকী পৰিক্ষাৰ্থী কম্পাৰ্টমেণ্টেল পৰীক্ষাত উত্তীৰ্ণ হৈছে। ১৫১গৰাকী পৰিক্ষাৰ্থী প্ৰথম বিভাগত, ৮ হাজাৰ ৮১২গৰাকী দ্বিতীয় বিভাগ আৰু ১২ হাজাৰ ৫৪২গৰাকী পৰিক্ষাৰ্থী তৃতীয় বিভাগত উত্তীৰ্ণ হৈছে। কম্পাৰ্টমেণ্টেল পৰীক্ষাত উত্তীৰ্ণৰ হাৰ হৈছে ৪২ দশমিক ৫-৬। মেট্ৰিকৰ কম্পাৰ্টমেণ্টেল পৰীক্ষাৰ ফলাফল ঘোষণা কৰাৰ পৰিপ্ৰেক্ষিতত অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে প্ৰথম বৰ্ষত নামভৰ্তিৰ বাবে দৰ্পণ পোৰ্টেল মুকলি কৰি দিছে। এই সন্দৰ্ভত শিক্ষা সংসদৰ সচিবে জাৰি কৰা নিৰ্দেশনা অনুসৰি কাইলৈৰ পৰা ২৮ জুনলৈ অনলাইন মাধ্যমযোগে দৰ্পণ পোৰ্টেলত নামভৰ্তিৰ বাবে আবেদন কৰিব পাৰিব। সবিশেষ তথ্য আৰু আবেদনৰ বাবে শিক্ষা সংসদৰ ৱেবছাইট www.ahsec.assam.gov.in অথবা https://darpan.ahseconline.in চাবলৈ ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনোৱা হৈছে। আনহাতে, শিক্ষানুষ্ঠানসমূহক ৩ জুলাইৰ ভিতৰত ছাত্ৰ-ছাত্ৰীসকলৰ নামভৰ্তি প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশটোত উল্লেখ কৰা হৈছে।

oooooooo

ডিব্ৰুগড় পৌৰ নিগমৰ প্ৰথমগৰাকী মেয়ৰ হিচাপে আজি ডাঃ সৈকত পাত্ৰই শপত গ্ৰহণ কৰে। ডিব্ৰুগড় পৌৰ নিগমৰ প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত উপ-মেয়ৰ হিচাপে উজ্জ্বল ফুকনৰ লগতে

পাৰিষদসকলে শপত গ্ৰহণ কৰে। এই অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, কেবিনেট মন্ত্ৰী বিমল বৰা, প্ৰাক্তন কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী ৰামেশ্বৰ তেলী, ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকন, জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ লগতে বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখযোগ্য যে চলিত বৰ্ষৰ ৬ মাৰ্চত ডিব্ৰুগড় পৌৰ সভা পৌৰ নিগমলৈ উন্নীত কৰা হয়।

oooooooo

ৰাজ্য চৰকাৰে শ্বহীদ কনকলতা বৰুৱাৰ নামত গহপুৰত প্ৰস্তাৱিত বিশ্ববিদ্যালয় স্থাপনৰ বাবে তৎপৰতা আৰম্ভ কৰিছে। এই উদ্দেশ্যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ লগতে মন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু মন্ত্ৰী অশোক সিংহলে গহপুৰৰ ভোলাগুৰি চাহ বাগিচাৰ ভূমি পৰিদৰ্শন কৰে। লগতে অসম চাহ নিগম লিমিটেডৰ পৰা বিশ্ববিদ্যালয়ৰ নামত ভূমি হস্তান্তৰকৰণ আৰু স্থানীয় ৰাইজৰ সা-সুবিধাৰ বিষয়টোক লৈ বিভিন্ন দল-সংগঠনৰ সৈতে মুখ্যমন্ত্ৰীগৰাকীয়ে আলোচনাত অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত মন্ত্ৰী ডাঃ পেগু আৰু মন্ত্ৰী সিংহলৰ লগতে বিধায়ক উৎপল বৰা, প্ৰমোদ বৰঠাকুৰ উপস্থিত থাকে। ইপিনে, মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি তেজপুৰৰ আনন্দ আগৰৱালা উদ্যানত স্বাধীনতা সংগ্ৰামী বাবু চবিলাল উপাধ্যায়ৰ এটি প্ৰতিমূৰ্তি উন্মোচন কৰে।

oooooooo

শক্তিপীঠ কামাখ্যা ধামত কাইলৈৰ পৰা অম্বুবাচী মেলা অনুষ্ঠিত হ'ব। এই মেলা নিয়াৰিকৈ পৰিচালনা কৰাৰ বাবে ৰাজ্য চৰকাৰ, কামৰূপ মহনাগৰ জিলা প্ৰশাসন আৰু অম্বুবাচী মহাযোগ পৰিচালনা সমিতিয়ে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। পৰিচালনা সমিতিয়ে প্ৰকাশ কৰা মতে কাইলৈ পুৱা ৮ বাজি ৪৩ মিনিট ৩৯ ছেকেণ্ডত অম্বুবাচীৰ প্ৰবৃত্তি হোৱাৰ লগে লগে কামাখ্যা মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে বন্ধ হৈ পৰিব। ২৬ জুনত দেৱীক পৰম্পৰাগতভাৱে স্নান আৰু নিত্য পূজাৰ পাছত পুৱা ৬ বজাত মন্দিৰৰ দুৱাৰ মুকলি কৰা হ'ব। সমিতিয়ে প্ৰকাশ কৰা মতে আজিৰে পৰা ৩০ জুনলৈ কোনোধৰণৰ ভি আই পি, ভি ভি আই পিৰ প্ৰৱেশ পত্ৰৰ ব্যৱস্থা নাথাকিব। একেদৰে ২৬ জুনৰ পৰা ২৭ জুনলৈ বিশেষ টিকটৰ ব্যৱস্থা নাথাকিব। তদুপৰি ভক্তসকলক মেলাৰ কেইদিন নিশা ৮ বজা পৰ্যন্তহে নীলাচল পাহাৰত প্ৰৱেশ কৰিবলৈ দিয়া হ'ব। অৱশ্যে পাণ্ডুৰ পৰা কামাখ্যা মন্দিৰলৈ যোৱা পথটো ভক্তসকলৰ বাবে নিশা ৯ বজা পৰ্যন্ত খোলা থাকিব।

ইতিমধ্যে দেশী-বিদেশী, বিভিন্ন বেশ-ভূষাৰ সাধু,সন্নাসী তথা ভক্তৰ সমাগমেৰে কামাখ্যা মন্দিৰৰ চৌহদত উখল মাখল পৰিবেশৰ সৃষ্টি হৈছে।

উল্লেখযোগ্য যে ভক্তসকল যাতে কোনোধৰণৰ অসুবিধাৰ সন্মুখীন নহয়, তাৰ প্ৰতি লক্ষ্য ৰাখি কামাখ্যা ৰেল ষ্টেচন আৰু পাণ্ডু ঘাটত দুটাকৈ আশ্ৰয় শিবিৰ স্থাপন কৰা হৈছে। তদুপৰি প্ৰশাসনৰ অনুমতি লাভ কৰা বিভিন্ন স্বেচ্ছাসৰী সংগঠনে ভক্তসকলক খাদ্য যোগান ধৰিব।

অম্বুবাচী মহোৎসৱৰ প্ৰতি লক্ষ্য ৰাখি সমগ্ৰ নীলাচল পাহাৰক ধূমপানমুক্ত অঞ্চল হিচাপে ঘোষণা কৰা হৈছে। সুৰাপান অথবা অন্য নিচাযুক্তদ্ৰব্য সেৱন কৰা কোনো লোকক দেৱালয়ৰ ভিতৰত প্ৰৱেশ কৰিবলৈ দিয়া নহ'ব। মহোৎসৱৰ প্ৰতি লক্ষ্য ৰাখি আৰক্ষী প্ৰশাসনে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তুলিছে। আৰক্ষী সঞ্চালক প্ৰধান জি পি সিঙে প্ৰকাশ কৰা মতে এইবেলি মেলাত অংশ লোৱা ভক্তসকলৰ নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখি কেইবা তৰপীয়া নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ইতিমধ্যে কামাখ্যা মন্দিৰত ৪০০ গৰাকী স্কাউট, ১৫০

গৰাকী স্বেচ্ছাসেৱক, ১২০ গৰাকী নিয়মীয়া সুৰক্ষা কৰ্মীৰ লগতে ২৫০ গৰাকী অতিৰিক্ত ব্যক্তিগত সুৰক্ষা কৰ্মী নিয়োগ কৰা হৈছে। তদুপৰি কামাখ্যা মন্দিৰৰ চৌপাশে ৪০০ টা চি চি টি ভি স্থাপন কৰা হৈছে।

ইপিনে, কামৰূপ মহানগৰ জিলাৰ শিক্ষা বিভাগে বিদ্যালয়সমূহলৈ অম্বুবাচী মেলাৰ সময়ত পৰীক্ষা অনুষ্ঠিত নকৰিবলৈ নিৰ্দেশ জাৰি কৰিছে। জিলা আয়ুক্তৰ নিৰ্দেশমৰ্মে বিদ্যালয়সমূহৰ পৰিদৰ্শক দীপিকা চৌধুৰীয়ে কাইলৈৰ পৰা ২৬ জুনলৈ কোনোধৰণৰ পৰীক্ষা অনুষ্ঠিত নকৰিবলৈ বিদ্যালয়সমূহক আহ্বান জনাইছে। জিলাখনৰ অন্তৰ্গত সকলো চৰকাৰী, প্ৰাদেশিকীকৃত আৰু ব্যক্তিগত বিদ্যালয়লৈ এই জাননী জাৰি কৰা হৈছে। কোনো বিদ্যালয়ে যদি অম্বুবাচী মেলাৰ দিনকেইটাত পৰীক্ষা দিন ধাৰ্য কৰিছে তেন্তে সেয়া সাল-সলনি কৰিবলৈ জাননীখনত উল্লেখ কৰা হৈছে। অম্বুবাচী মেলালৈ লাখ লাখ ভক্তৰ সমাগমৰ ফলত ছাত্ৰ-ছাত্ৰীৰ যাতে কোনো অসুবিধা নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি এই নিৰ্দেশনা জাৰি কৰা হৈছে।

oooooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠানত **নতুন ফৌজদাৰী আইনৰ অধীনত মহিলা সম্পৰ্কীয় বিষয় সন্দৰ্ভত** আলোচনা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত অধিবক্তা চাহিনা নাজনিন অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামী আৰু অনুজা লোপামুদ্ৰাই। আগ্ৰহী শ্ৰোতাই ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ ফোন নম্বৰ যোগে অতিথিৰ সৈতে কথা পাতিব পাৰিব।

ooooooo

ৰাজ্যত প্ৰথম বাৰৰ বাবে বৰপেটাৰ ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় হাস্পতালত আজি নৱজাতকক লৈ প্ৰসূতি মাতৃয়ে চিকিৎসালয় এৰাৰ সময়তে জন্মৰ প্ৰমাণ-পত্ৰ আৰু আধাৰ নম্বৰ প্ৰদান কৰা হয়। শেহতীয়াকৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই নৱজাতকক চিকিৎসালয়ৰ পৰা যাবলৈ দিয়াৰ সময়তেই জন্মৰ প্ৰমাণ-পত্ৰ আৰু আধাৰ নম্বৰ প্ৰদান কৰিবলৈ নিৰ্দেশ দিছিল। সেই অনুসৰি ফখৰুদ্দিল আলী আহমেদ চিকিৎসা মহাবিদ্যালয় হাস্পতালত ৰাজ্যৰ ভিতৰতে প্ৰথমবাৰলৈ আজি দুটি শিশুক জন্মৰ প্ৰমাণ-পত্ৰ আৰু আধাৰ নম্বৰ প্ৰদান কৰা হয়। এই সন্দৰ্ভত চিকিৎসা মহাবিদ্যালয় হাস্পতালখনৰ অধ্যক্ষ ডাঃ ৰমেন তালুকদাৰে কয় যে ৰাজ্যৰ মুখ্যমন্ত্ৰীগৰাকীয়ে দিয়া নিৰ্দেশ অনুসৰি তেওঁলোকে আজি এই পদক্ষেপ গ্ৰহণ কৰে।

oooooooo

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে আজি নলবাৰী জিলাৰ টিহুৰ ২ নম্বৰ ৱাৰ্ড আৰু ৰেলৱে কলনীকে ধৰি কেইবাটাও জলমগ্ন অঞ্চল পৰিদৰ্শন কৰে। বানপীড়িত কেইবাটাও অঞ্চল পৰিদৰ্শন কৰি মন্ত্ৰী শ্ৰীদাসে তৎকালীনভাৱে পানী নিষ্কাষণ কৰি তোলাৰ লগতে এই সমস্যাৰ হ্ৰস্বকালীন আৰু দীৰ্ঘকালীন সমাধানৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষক ফোনযোগে আহ্বান জনায়।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৩০ জুনত আকাশবাণীযোগে প্ৰচাৰ হ'বলগীয়া মন কী বাত অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে নৰেন্দ্ৰ মোদী এপ, মাই

গভ মুকলি মঞ্চৰ জৰিয়তে অথবা ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি পৰামৰ্শ আগবঢ়াবলৈ সকলোৰে প্ৰতি আহ্বান জনাইছে। অনুষ্ঠানটিৰ এই খণ্ডটিৰ বাবে ২৮ জুন পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

এয়া অনুষ্ঠানটিৰ ১১১ সংখ্যক আৰু শ্ৰীমোদী একেৰাহে তৃতীয় কাৰ্যকালৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱাৰ পাছত প্ৰচাৰ হবলগীয়া প্ৰথম খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেৰছাইট আৰু নিউজ অন মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

0000000

আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ এখন খেলত আজি ইংলেণ্ড দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ছেইণ্ট লুছিয়াৰ দাৰেন ছেমি নেছনেল ক্ৰিকেট ষ্টেডিয়ামত ভাৰতীয় সময় অনুসৰি খেলখন নিশা ৮ বজাত আৰম্ভ হ'ব। আনহাতে, আজিৰ প্ৰথমখন খেলত অষ্ট্ৰেলিয়াই বাংলদেশক ২৮ ৰানত পৰাস্ত কৰে। নৰ্থ চাউণ্ড এণ্টিগুৱাৰ চাৰ ভিভিয়ান ৰিচাৰ্ডচ ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত বাংলাদেশে নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেটৰ বিনিময়ত ১৪০ ৰান কৰে। ইয়াৰ প্ৰত্যুত্তৰত অষ্ট্ৰেলিয়াই ১১ অভাৰ ২টা বলত দুটা উইকেট হেৰুৱাই ১০০ ৰান কৰা অৱস্থাতে খেলখনত বৰষুণে বিঘিনি ঘটায়। পাছত ডাক ৱৰ্থ লিৱিছ পদ্ধতিৰে অষ্ট্ৰেলিয়াক বিজয়ী ঘোষণা কৰা হয়।

0000000

সমাপ্ত